**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-01-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দী আৰু ইংৰাজীত দিয়া এই ভাষণ আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰই প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

ৰাজ্যখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ আধাৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰ কৰা নহয়।

ooooo

ৰাজ্যত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দেশৰ এই ঐতিহাসিক ক্ষণত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। ৰে'ল আৰক্ষীয়েও ৰে'ললাইনসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। মুখ্যমন্ত্ৰীয়ে তেওঁৰ জাপান ভ্ৰমণ সামৰি আজি ডিব্ৰুগড়লৈ ৰাওনা হৈছে।

গণৰাজ্য দিৱস উপলক্ষে গুৱাহাটী মহানগৰীত নিৰাপত্তাকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে জিলাসমূহত গণৰাজ্য দিৱসত হ'বলগীয়া কুচকাৱাজৰ অনুশীলন সম্পূৰ্ণ হৈছে।

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উপৰি ভালেমান জিলাত আজি বিয়লি প্ৰাক-গণৰাজ্য দিৱসৰ কুচকাৱাজ অনুষ্ঠিত হয়। গুৱাহাটী মহানগৰীত কুচকাৱাজৰ সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত পথৰ কিছু সাল-সলনি কৰা হৈছে।

ooooo

গণৰাজ্য দিৱসৰ কাইলৈ নতুন দিল্লীত হ'বলগীয়া কাৰ্যসূচীৰ বাবে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকীও ব্যক্তিয়ে আমন্ত্ৰণ লাভ কৰিছে। ধুবুৰী জিলাৰ শালকোছাৰ ভেলুপাৰা দ্বিতীয় খণ্ড গাঁৱৰ নিৰেশ চন্দ্ৰ বৰ্মন আৰু শালকোছাৰ শ্ৰীগ্ৰামৰ আমজামুল আমিন নামৰ দুগৰাকী খেতিয়ক এই দিৱসৰ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে। দুয়োগৰাকী খেতিয়কে সমবায় সমিতিৰ জৰিয়তে ভালেসংখ্যক খেতিয়কক লগত লৈ অঞ্চলটোৰ কৃষিখণ্ডলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ সুবিধা গ্ৰহণ কৰি নিজৰ বাসগৃহত সৌৰ শক্তিৰ দ্বাৰা বিদ্যুৎ উৎপাদনত সফলতা লাভ কৰা বৰপেটাৰ কল্যাণজিৎ দাস নামৰ ব্যক্তিগৰাকীও গণৰাজ্য দিৱসৰ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে। দিল্লীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰজাবাৰী গাঁৱৰ জলজীৱন আঁচনিৰ সচিব দীপাংকৰ দিহিঙীয়াই আমন্ত্ৰণ লাভ কৰিছে। দীপাংকৰ দিহিঙীয়াৰ প্ৰচেষ্টাত ৰজাবাৰী অঞ্চলৰ ১৪৫ টা পৰিয়ালে নলযোগে বিশুদ্ধ খোৱাপানী নিজৰ ঘৰৰ পদূলিতে লাভ কৰিবলৈ সমৰ্থ হৈছে। শিৱসাগৰ জিলাৰ মৰাবজাৰৰ হাতীমূৰীয়া ঘৰফলীয়া বিশুদ্ধ খোৱাপানী আঁচনিৰ সভাপতি নবীন কিশোৰ গগৈয়েও দিল্লীৰ গণৰাজ্য দিৱসৰ বাবে আমন্ত্ৰণ লাভ কৰিছে।

ooooooo

রাজ্যৰ ১০ গৰাকী উদ্যমীক দিল্লীত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণ লাভ কৰা উদ্যমীসকলৰ ভিতৰত ধুবুৰীৰ নমিতা এম মাৰাক, কোকৰাঝাৰৰ বিউতি ৰামচিয়াৰী, চিৰাঙৰ মীনা মুছাহাৰী, শোণিতপুৰৰ ইউৰিকা ডব্লিউ ডি ৱাগাম, ধেমাজিৰ অনিল পেগু, গুৱাহাটীৰ গোপাল কৰ্মকাৰ, শিৱসাগৰৰ প্ৰিন্স ফুকন, মৰিগাঁৱৰ প্ৰণৱ সিং, কামৰূপ মহানগৰৰ ত্ৰিবেণী বৰগোহাঁই আৰু নিৰ্মল চৌধুৰী আছে। বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে এই উদ্যমীকেইগৰাকীক গণৰাজ্য দিৱসৰ কুচকাৱাজলৈ আমন্ত্ৰণ জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ উদ্যোগত এই উদ্যমীকেইগৰাকী দিল্লীলৈ ৰাওনা হৈছে। এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ অনুসৰি বিভিন্ন ক্ষেত্ৰৰ সফল আৰু দক্ষ উদ্যমীক তেওঁলোকৰ পৰিয়ালৰ সদস্যসহ কুচকাৱাজত বিশেষভাৱে সংৰক্ষিত আসনত বহিবলৈ দি সন্মান জনোৱা হ'ব।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে হাউলীৰ পৰা বৰপেটা, মুকালমুৱা, হাজো হৈ আমিনগাঁৱলৈকে ৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণত অনুমোদন জনাইছে। এই পথছোৱা নিৰ্মাণৰ বাবে শীঘ্ৰেই নিবিদা জাৰি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পথছোৱা উন্নীতকৰণৰ ফলত বৰপেটাৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা কৰা লোকসকলৰ যাতায়াত সুচল হ'ব। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিভাগীয় মন্ত্ৰী নীতিন গাডকাৰীক এই পথছোৱা নিৰ্মাণৰ বিষয়টো দ্ৰুতগতিত নিষ্পত্তি কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

**সমাপ্ত**